জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩০/২০২০

# কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত অসামৰিক সেৱা পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ৪ আগষ্ট ঃ** কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত ২০১৯ বৰ্ষৰ অসামৰিক সেৱা পৰীক্ষাৰ আজি ঘোষিত ফলাফলত অসমৰ পৰা স্থান লাভ কৰি ৰাজ্যখনৰ নাম উজলোৱা পৰীক্ষাৰ্থীসকললৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে সৰ্বভাৰতীয় এই পৰীক্ষাত অৱতীৰ্ণ হৈ পৰীক্ষাৰ্থী কেইগৰাকীয়ে কঠোৰ পৰিশ্ৰম, অধ্যাৱসায়, একাগ্ৰতা, কষ্ট সহিষ্ণুতাৰে যি সফলতা কঢ়িয়াই আনিলে ইয়াৰ জৰিয়তে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ অনুপ্ৰেৰণা লাভ কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে এই পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলে ভৱিষ্যতে নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাষ্ট্ৰ সেৱাৰ কামত ব্ৰতী হৈ নিজৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিব বুলিও আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে আটাইকেইগৰাকী পৰীক্ষাৰ্থীক শুভেচ্ছা জনোৱাৰ উপৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছে।

**বঃভাঃ**
**৪/০৮/২০২০**